

মতে, গড়টো পৰৱৰ্তী সময়ত ৰজা আৰিমত্তই পুনৰ নিৰ্মাণ কৰে আৰু তেওঁৰ নামেৰেই ইয়াৰ নাম আৰিমত্ত গড় হয়। এই অঞ্চলতেই আছিল ৰজা আৰিমত্তৰ ৰাজধানী। চাৰিওদিশে এটা প্ৰকাণ্ড গড় সাজি ৰজা আৰিমত্তই তেওঁৰ ৰাজধানীখন সুৰক্ষিত কৰিছিল। গড়টোক বোলা হৈছিল বৈদ্যৰ গড়। কিংবদন্তি অনুসৰি গড়টো বান্ধিবলৈ লওঁতে অসংখ্য গুড়িপৰুৱাই হেনো গড়ৰ নিৰ্মাণ বাধাগ্ৰস্ত কৰি তুলিছিল। তেতিয়া এজন নিঃসন্তান বৈদ্যই মন্ত্ৰবলেৰে গুড়িপৰুৱাবোৰ আঁতৰ কৰি নিৰ্মাণ সুচল কৰি তোলে। কোনো কোনো ইতিহাসবিদৰ মতে ৰজা আৰিমত্তৰে আন এটা নাম বৈদ্যদেৱ।

পূবৰ পৰা পশ্চিমলৈ গড়টোৰ দৈৰ্ঘ্য প্ৰায় ১০ কিল'মিটাৰ আৰু উত্তৰৰ পৰা দক্ষিণলৈ প্ৰস্থ প্ৰায় ৬.৫ কিল'মিটাৰ। ১২ খন ৰাজহ গাঁও সামৰি লোৱা গড়টোৰ পৰিসীমাৰ মাটিকালি ২৮,৯৬০ বিঘা, ৯ কঠা, ১৬ লোচা। পূৰ্বতে গড়টোৰ উচ্চতা ৬০-৭০ ফুট আছিল (গড়টোৰ ওপৰলৈ চালে হেনো মূৰৰ পাগুৰি সুলকি পৰিছিল!)। ১৮৯৭ চনৰ বৰ ভুঁইকপত এই গড়টো বহুখিনি বহি যায় যদিও আজিও ঠায়ে ঠায়ে এই গড়টো ২০-৩০ ফুটমান ওখ হৈ আছে ।

মানুহৰ নিৰ্বিচাৰ মাটি খননৰ লগতে বাট-পথ, বাসগৃহ, মঠ-মন্দিৰ-মছজিদ আদি নিৰ্মাণৰ বাবে গড়টোৰ বহু অংশ কাটি পেলোৱা হৈছে আৰু সেয়ে আৰিমত্ত গড় বা বৈদ্যগড় আজি নিঃশেষপ্ৰায়।

**জলে বনে**

## জেলিফিছ

■ জেলিফিছ (Jellyfish) সাগৰত থকা এবিধ একনলদেহী অমেৰুদণ্ডী প্ৰাণী। নামটোৰে বুজোৱাৰ দৰে জেলিফিছ প্ৰকৃততে প্ৰকৃত মাছ নহয়। পিছে ই মাছৰ দৰে পানীত ওপঙিব আৰু সাঁতুৰিব পাৰে। জেলিফিছৰ দেহ টান জেলি-জাতীয় দ্ৰব্যৰে আবৃত। দেহটোৰ ওপৰৰ পৰা তললৈ দীঘল ৰছীৰ দৰে কিছুমান অংগ ওলমি থাকে। বিজ্ঞানৰ ভাষাত এইবোৰৰ নাম টেণ্টাক্লছ (Tentacles)। পানীত থকা অৱস্থাত ইহঁতৰ শৰীৰৰ ওপৰৰ অংশ ওভতাই থোৱা বাটি এটা বা মেলি থোৱা ছাতি এটাৰ দৰে দেখি। মুখৰ অংশটো দেহৰ মাজভাগৰ পৰা ওলমি থাকে। জেলিফিছ সাধাৰণতে প্ৰায় ৮ ছেণ্টিমিটাৰৰ পৰা ৩০ ছেণ্টিমিটাৰ ডাঙৰ হয় যদিও আটাইতকৈ ডাঙৰ জেলিফিছবোৰৰ দৈৰ্ঘ্য ২ মিটাৰতকৈও বেছি। সেইদৰে এনে জেলিফিছৰ ওজনো হয়গৈ ১৫০-২০০ কিল'গ্ৰাম। জেলিফিছৰ শৰীৰত ৯৯ শতাংশই পানী থাকে আৰু সেয়ে ইয়াক পানীৰ পৰা তুলি আনি পাৰৰ ৰ'দৰ বালিত থ'লে ই সোনকালে মৰে আৰু শুকাই প্ৰায় একো নোহোৱা হৈ যায়। ২০ কিল'গ্ৰাম ওজনৰ জেলিফিছ একোটাৰ ওজন এনে অৱস্থাত হয়গৈ মাত্ৰ এক-ডেৰ কিল'গ্ৰাম।

জেলিফিছবোৰক কেতিয়াবা মেডুছা (Medusas) বুলিও কোৱা হয় (মেডুছা হ'ল গ্ৰীছৰ পুৰণি কাহিনীৰ এবিধ প্ৰাণী, যাৰ স্পৰ্শত যিকোনো প্ৰাণী শিলত পৰিণত হৈছিল।) জেলিফিছে অৱশ্যে প্ৰাণীক শিল কৰিব নোৱাৰে, কিন্তু তাৰ তীক্ষ্ণ, শক্তিশালী টেণ্টাকলছেৰে আঘাত কৰি বিহ ঢালি সৰু প্ৰাণীবোৰক স্তব্ধ কৰি দিব পাৰে। তেনেদৰে ই মাছ বা তেনেধৰণৰ ক্ষুদ্ৰ জলজ প্ৰাণী চিকাৰ কৰে।

জেলিফিছৰ লগত সাদৃশ্য থকা, কিন্তু বিভিন্ন বৰ্গৰ প্ৰাণীকো প্ৰায়ে জেলিফিছ বুলিয়েই কোৱা হয়। তেনেধৰণৰ এবিধ প্ৰাণী হ'ল 'পৰ্টুগীজ মেন-অব-ৱাৰ' (Portuguese man-of-war) যাৰ টেণ্টাকলছৰ আঘাত মানুহৰ বাবেও বিপজ্জনক।



সাধাৰণতে সকলো সাগৰ-মহাসাগৰতে জেলিফিছ পোৱা যায় যদিও গ্ৰীষ্ম অঞ্চলৰ সাগৰত ইহঁতৰ সংখ্যা সৰহ। জেলিফিছে কণী পাৰি বংশ বৃদ্ধি কৰে। ইহঁতৰ সাধাৰণ গড় আয়ুস এমাহৰ পৰা তিনিমাহ যদিও এবছৰলৈকে জেলিফিছ জীয়াই থকাৰো দৃষ্টান্ত আছে।

## বুদ্ধি-যুক্তি



১। ওপৰৰ নটা বিন্দু তিনিটা তিনিটাকৈ সজাই থোৱা আছে। এতিয়া আপুনি এনেকৈ চাৰিডাল সৰলৰেখা আঁকিব লাগে ঃ প্ৰথমডাল ৰেখা য'ত শেষ হ'ব তাৰ পৰা দ্বিতীয়ডাল আৰম্ভ কৰিব লাগিব; দ্বিতীয়ডাল য'ত শেষ হ'ব তাৰ পৰা তৃতীয়ডাল আৰম্ভ কৰিব লাগিব আৰু তৃতীয়ডাল য'ত শেষ হ'ব, তাৰপৰা চতুৰ্থডাল আৰম্ভ কৰিব লাগিব। তদুপৰি প্ৰতিটো বিন্দু অতি কমেও এডাল ৰেখাৰ ওপৰত পৰিবই লাগিব।




২। ওপৰৰ সজ্জাটোৰ '?' চিন দিয়া ঠাইত কি অংক বহিব?

### যোৱা সংখ্যাৰ 'বুদ্ধি-যুক্তি'ৰ উত্তৰ

১। কিতাপ দাম ১০৫ টকা, কলমৰ দাম ৫ টকা।

২। (গ) গোটৰ বাহিৰে বাকীকেইটাৰ প্ৰথমে বৰ্গৰ দ্বিতীয়, তাৰপাছত প্ৰথম আৰু শেষত তৃতীয় আখৰটো আছে।

**শান্তনু কৌশিক বৰুৱা,**
গুৰনি পথ, মংগলচণ্ডী থানৰ সমীপত,
বীৰকুছি, নাৰেংগী, গুৱাহাটী-৭৮১০২৬,
ফোন ঃ ৯৪৩৫০৮৯৩৭৫, ৭০৮৬৩৩৪০৯০
ই-মেইল ঃ santanukausik@gmail.com